দিনাংক- - ১৫ এপ্ৰিল ২০১৪

অভিযানসূচী - ১৫/৪/২০১৪

অৰুণ জেটলী

ৰাজ্য সভাৰ বিৰোধী দলৰ নেতা

## কংগ্ৰেছ পাৰ্টিৰ নতুন শ্ল'গান - ' মই নহয় মা '

এটা আগশাৰীৰ সংবাদ মাধ্যমে কৰা অপিনিয়ন প'লৰ ফলাফল যোৱাকালি প্ৰকাশ কৰা হয় । ইয়াৰ মতে বিজেপি য়ে ২২৬ খন লোকসভাৰ আসন আৰু এন ডি এ য়ে ২৭৫ খন আসন লাভ কৰি সম্পূৰ্ণ বহুমত লাভ কৰিব । এন ডি এ ক সম্পূৰ্ণ বহুমত দিয়া এইয়া প্ৰথম অপিনিয়ন প'ল । মই বিশ্বাস কৰো যে এই জনমতে, উদ্ভৱ হোৱা ট্ৰেণ্ডক সাঙুৰি লোৱাত সক্ষম হৈছে । প্ৰত্যেক পৰ্য্যয়ত নিৰ্বাচনৰ দিন কাষ চপাৰ লগে লগে সকলো স্পষ্ট হৈ যায় । দুটা কথা স্পষ্ট কে ওলাই পৰিছে, প্ৰথম হৈছে কংগ্ৰেছৰ বিৰুদ্ধে খঙ আৰু দ্বীতিয়তে নৰেন্দ্ৰ মোদীক লৈ আশা । মোৰ ব্যক্তিগত ধাৰণা যে নিৰ্বাচনৰ প্ৰকৃত ফলাফল, অপিনিয়ন প'লে নিৰ্ধাৰণ কৰা আসনতকৈ অধিক আসন লাভ কৰে ।

কংগ্ৰেছৰ অভিযান শূণ্য হৈ পৰিছে । তেওঁলোকৰ অভিযান উদ্ভট আৰু ভ্ৰমিত কৰা দেখা গৈছে । তেওঁলোকৰ সংবাদো স্পষ্ট নহয় । যোৱাকালি কংগ্ৰেছ দলে নিজৰ গতিপথ সলনি কৰে । ৰাহুল গান্ধীৰ জড়িয়তে অভিযান প্ৰসাৰ আৰু বিজ্ঞাপন পাছত ৰাখি কংগ্ৰেছৰ সভানেত্ৰী শ্ৰীমতী চোনীয়া গান্ধীয়ে নিজকে আগত ৰাখি দলক নেতৃত্ব দিয়াৰ সিদ্ধান্ত লৈছে । তেওঁ বিভিন্ন সংবাদ মাধ্যমৰ জড়িয়তে দেশক সম্বোধন কৰে ।

তেওঁলোকৰ অৱস্থা একদম স্পষ্ট । বিভিন্ন ৰাজনৈতিক নেতাৰ ভাষণ, সাক্ষাৎকাৰ আৰু প্ৰেছ কন্ফাৰেন্স বোৰ সদায়েই সংবাদ মাধ্যমে প্ৰকাশ কৰিছে । কংগ্ৰেছ সভানেত্ৰীয়ে ইয়াৰ বাবে টেলিভিচনৰ সময় কিনাৰ প্ৰয়োজন নাছিল । ৰাহুল গান্ধীৰ পৰা দলৰ সংবাদ ৰখাৰ কাম নিজে লোৱাৰ বাবে এনে কৰা হৈছিল । ৰাহুল গান্ধীৰ আত্ম বিশ্বাস যে কমিছে এইয়া তেওঁৰ ভাষণতে প্ৰকাশ হৈছে । টেলিভিচনত শেষ সময়ত এনে সংবাদে একো ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে । মূল্যবৃদ্ধি, অৰ্থনীতিৰ দুৰৱস্থা, দুৰ্নীতি, প্ৰধানমন্ত্ৰীৰ কাৰ্য্যক নিজৰ মতে চলোৱা, ভাৰতীয়ত্ব অথবা হিন্দুস্থানীয়তৰ অংশ হ'ব নোৱাৰে । এনে সংবাদে একো কামত নিদিয়ে । যোৱাকালি টেলিভিচনত চোনীয়া গান্ধীয়ে টেলিভিচনত দিয়া ভাষণত কেৱল এটাই সংবাদ আছিল যে কংগ্ৰেছ দলৰ নতুন শ্ল'গান - ' মই নহয় মা ' ।